**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-02-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

# HEADLINES

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা যোৱা নিশা ছিংগাপুৰত উপস্থিত হয়। ছিংগাপুৰত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীক ভাৰতৰ উচ্চায়ুক্ত ড০ শিল্পক আম্বুলেই আদৰণি জনায়। এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিংগাপুৰ চৰকাৰ আৰু দেশখনৰ উদ্যোগপতিসকলৰ সৈতে আলোচনাত মিলিত হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। ইপিনে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এডভাণ্টেজ আছামৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু ভালেসংখ্যক দেশী-বিদেশী উদ্যোগীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনখন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাটৰ জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃত্বশীল ব্যক্তিৰ বাহিৰে ৩ জন বা ততোধিক ব্যক্তিৰ সমাগম নিষিদ্ধ কৰা হৈছে। একে দূৰত্বৰ ভিতৰত বিস্ফোৰক বা সন্দেহজনক সামগ্ৰী নিয়া, অবৈধভাৱে পাৰ্কিং কৰা, লাউডস্পীকাৰ বজোৱা, ইলেকট্ৰনিক সামগ্ৰীৰ ব্যৱহাৰকে ধৰি কেইবাটাও ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই নিষেধাজ্ঞা এতিয়াৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বাহাল থাকিব।

০০০০০

ধেমাজিৰ যুৱ লেখক, সংগঠক কল্পজিত সোণাৱাললৈ সোণোৱাল-কছাৰী সাহিত্য সভাই চলিত বছৰৰ যুৱ-সাহিত্য বঁটা আগবঢ়াইছে। ধেমাজি জিলাৰ গোগামুখৰ যুৱক সোণোৱালে কেইবাখনো গ্ৰন্থ ৰচনাৰে সাহিত্য ক্ষেত্ৰলৈ বৰঙণি যোগাইছে। সভাই লগতে কিৰণময় শইকীয়াকো সাহিত্য বঁটা প্ৰদান কৰে।

০০০০০

সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা শাখাৰ উদ্যোগত কাইলৈ জিলাখনৰ ধেমেচি কলালোৰ কোচগাঁৰৰ ৰাস ৰংগমঞ্চত দিনজোৰা কাৰ্যসূচীৰে বীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক জয়ন্তী পালন কৰা হ'ব। কাইলৈ পুৱা ৭ বজাত মাৰাথানেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছতে কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হ'ব। দিনৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পাছতে হ'বলগীয়া মুকলি সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

ooooo

নগাঁৰৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ শৈক্ষিক মেলাৰ আয়োজন কৰিছে। বিশ্ববিদ্যালয়খনত আয়োজিত এখন সংবাদমেলত কালি পঞ্জীয়ক ড০ শৰৎ হাজৰিকাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে দেশৰ আগশাৰীৰ ১৫ খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে এই মেলাত অংশ ল'ব। আজি দিনৰ ১০ বজাত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই শিক্ষা মেলাখন মুকলি কৰিব। মেলাৰ অংশ হিচাপে তিনিখন আলোচনাসত্ৰৰ আয়োজন কৰা হৈছে বুলি পঞ্জীয়কগৰাকীয়ে প্ৰকাশ কৰে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দানৰ বাবে আয়োজিত এই মেলাত ফেশ্বন ডিজাইনিং, এনিমেছন, বিমান পৰিবহন, পৰ্যটনকে ধৰি বিভিন্ন নতুন পাঠ্যক্ৰম সম্পৰ্কে আভাস দিয়া হ'ব। মেলাৰ আয়োজক সমিতিয়ে ৰাজ্যৰ কেইবাখনো মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ লগতে ব্যক্তিগত শিক্ষানুষ্ঠানকো এই মেলালৈ আমন্ত্ৰণ জনাইছে।

ooooo

অহা ৪, ৫ আৰু ৬ এপ্ৰিলত ঢকুৱাখনাত হ'বলগীয়া ৫৫ সংখ্যক অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক অধিৱেশনৰ স্মাৰক গ্ৰন্থৰ বাবে বিজ্ঞানৰ সৈতে জড়িত বিভিন্ন বিষয়ত লেখা বিচৰা হৈছে। লেখক-লেখিকাসকলে বিজ্ঞান-প্ৰযুক্তিৰ পৰিৱেশ, বিজ্ঞানৰ শেহতীয়া আৱিষ্কাৰ আদি বিভিন্ন বিষয়ত এহেজাৰ শব্দৰ ভিতৰত লেখা প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত পোৱাকৈ সম্পাদক, মাৰফৎ ঃ গগৈ বাৰ্ডাৰ্ছ, ঢকুৱাখনা চাৰিআলি, ঢকুৱাখনা-৭৮৭০৫৫ ঠিকনাত অথবা BURAGOHAIN INDIBOR@GMAIL.COM যোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ৯৯৫৪৯-৭৯৪৩৮ নম্বৰলৈও প্ৰেৰণ কৰিব পাৰিব।

ooooo

দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই চীনদেশে তিববতত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ সম্পৰ্কত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। কালি লোকসভাত এটা দৃষ্টি আকৰ্ষণকাৰী প্ৰসংগ উত্থাপন কৰি সাংসদ শইকীয়াই এই বান্ধ নিৰ্মাণ হ'লে অসম, অৰুণাচল প্ৰদেশ আৰু বাংলাদেশৰ পাৰিপাশ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব বুলি আশংকা প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষিণ এছিয়াৰ এই অঞ্চলটো ভূমিকম্প আৰু বানকে ধৰি অতিশয় দুৰ্যোগপ্ৰবন অঞ্চল। এই বান্ধৰ লগতে চীনে বৃহৎ আকাৰৰ জলাধাৰ নিৰ্মাণৰো প্ৰস্তাৱ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সাংসদগৰাকীয়ে অঞ্চলটোৰ পৰিৱেশ আৰু সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ স্বাৰ্থত বিষয়টো কূটনৈতিকভাৱে চীন দেশৰ সৈতে বিষয়টো আলোচনা কৰিবলৈ ভাৰত চৰকাৰক আহ্বান জনায়।

ooooo

সমাপ্ত